# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-08-2024
**Time :** 1845 Hrs

## ***Assamese Evening Bulletin***
### ***HEADLINES***

***- - - - - - - - - - - - - - - - - - - - - -***

১। ৰাজ্যসভাত খালী হোৱা অসমৰ দুখন আসনৰ বাবে বিজেপিৰ প্ৰাৰ্থী প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু প্ৰাক্তন বিধায়ক মিছন ৰঞ্জন দাসৰ মনোনয়ন দাখিল। প্ৰাৰ্থী দুগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয় প্ৰায় নিশ্চিত।

২। অসম বিধানসভাৰ শৰৎকালীন অধিবেশন কাইলৈ আৰম্ভ।

৩। প্ৰতি ইউনিট বিদ্যুতৰ মাচুল অহা ১ এপ্ৰিলৰ পৰা এটকাকৈ হ্ৰাস পাব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

৪। ৰাজ্যত ব্যক্তিগত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত এতিয়াৰে পৰা আগতীয়া সুৰক্ষাজনিত অনুমোদনৰ প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা। **আৰু**

৫। কোকৰাঝাৰত চলি থকা ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰথমটো দল হিচাপে গুৱাহাটীৰ নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ প্ৰৱেশ

০০০০০

ৰাজ্যসভাত খালী হোৱা অসমৰ দুখন আসনৰ বাবে বিজেপিৰ প্ৰাৰ্থী প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু প্ৰাক্তন বিধায়ক মিছন ৰঞ্জন দাসে আজি মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰাৰ্থী দুগৰাকীৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক তথা শাসকীয় মিত্ৰজোঁটৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে। উল্লেখযোগ্য যে অসমৰ ৰাজ্যসভাৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী সন্দৰ্ভত আলোচনাৰ বাবে কালি নতুন দিল্লীত কেন্দ্ৰীয় নেতৃত্বৰ সৈতে অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়।

উল্লেখযোগ্য যে সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপটত বিজেপিৰ হৈ প্ৰাৰ্থিত্ব আগবঢ়োৱা দুয়োগৰাকী প্ৰতিনিধি বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাটো প্ৰায় নিশ্চিত হৈ পৰিছে।

০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিবেশন কাইলৈৰ পৰা দিছপুৰত অনুষ্ঠিত হ'ব। ৩০ আগষ্টলৈ চলিবলগীয়া এই অধিবেশনৰ কাইলৈ প্ৰথম দিনা শৰৎকালীন অধিবেশনৰ কাৰ্যসূচী স্থিৰ কৰা হ'ব। এই অধিবেশনত ৰাজহ বিভাগৰ দুখন বিধেয়ক উত্থাপনৰ সম্ভাৱনা আছে। তদুপৰি, ২০২৪-২৫ বৰ্ষৰ মঞ্জুৰিৰ বাবে পৰিপূৰক দাবী উত্থাপন তথা চৰকাৰী বিধেয়ক উত্থাপন কৰাৰ সম্ভাৱনা আছে। ২৭ আগষ্টত সংকল্প প্ৰস্তাৱ আৰু আন কেইখনমান বিধেয়ক উত্থাপনৰ সম্ভাৱনা আছে। ২৮ আগষ্টত পৰিপূৰক মঞ্জুৰিৰ বাবে দাবীসমূহৰ

ওপৰত আলোচনা আৰু ভোটদান হ'ব বুলি জানিব পৰা গৈছে। এইবাৰৰ অধিবেশনত বিৰোধী পক্ষই স্মাৰ্ট মিটাৰ সংস্থাপনৰ ফলত বিদ্যুৎ মাচুল বৃদ্ধি, গুৱাহাটীৰ বান পৰিস্থিতি, মূল্যবৃদ্ধিকে ধৰি কেইবাটাও বিষয়ক লৈ বিতৰ্ক সৃষ্টি কৰাৰ সম্ভাৱনা আছে। ইফালে, অধিবেশনৰ পূৰ্বে আজি অসম বিধানসভাৰ নতুন ভৱনত সকলো দলৰ নেতাসকলৰ উপস্থিতিত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, উপাধ্যক্ষ ডাঃ নোমল মমিন, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পীযুষ হাজৰিকা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ লগতে বিধানসভাৰ ভালেসংখ্যক সদস্য উপস্থিত থাকে।

০০০০০

ৰাজ্যত প্ৰতি ইউনিট বিদ্যুতৰ মাচুল অহা ১ এপ্ৰিলৰ পৰা এটকাকৈ হ্ৰাস পাব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা কৰিছে। স্মাৰ্ট মিটাৰৰ বিসংগতি সন্দৰ্ভত উত্থাপিত অভিযোগ সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ কয় যে, প্ৰয়োজন হ'লে পৰীক্ষামূলকভাৱে মেনুৱেল মিটাৰ সংস্থাপন কৰা হ'ব। মেনুৱেল মিটাৰ আৰু স্মাৰ্ট মিটাৰৰ মাজত ব্যৱহৃত ইউনিটৰ পাৰ্থক্য দেখিলে পৰৱৰ্তী সময়ত স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। বিদ্যুৎ মাচুল হ্ৰাস কৰা অসমেই একমাত্ৰ ৰাজ্য বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে, স্মাৰ্ট মিটাৰ সংস্থাপনৰ ফলত বিদ্যুৎ ৰাহি হোৱাৰ লগতে জনসাধাৰণে মিতব্যয়ীভাৱে বিদ্যুৎ ব্যৱহাৰ কৰিছে।

০০০০০

অহা ২৩ আগষ্টত সমগ্ৰ দেশজুৰি প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰা হ'ব। দিৱসৰ এই বছৰৰ বিষয়বস্তু হৈছে- চন্দ্ৰপৃষ্ঠক স্পৰ্শ কৰাৰ লগতে জীৱনকো স্পৰ্শ কৰা- ভাৰতৰ মহাকাশ গাথা। এই বিষয়বস্তুৱে মহাকাশ অন্বেষণৰ ফলত সমাজ আৰু প্ৰযুক্তিৰ ওপৰত পৰা গভীৰ প্ৰভাৱক উজলাই তুলিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে নতুন দিল্লীৰ ভাৰত মণ্ডপমত হ'বলগীয়া মূল কাৰ্যসূচী মুকলি কৰিব। ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ মূল কাৰ্যসূচীৰ পূৰ্বাভাস দিবলৈ নতুন দিল্লীত আয়োজন কৰা সংবাদমেলত কেন্দ্ৰীয় মহাকাশ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে কয় যে, যোৱা বছৰৰ ২৩ আগষ্টৰ দিনটোতে চন্দ্ৰযান-৩ অভিযানে চন্দ্ৰপৃষ্ঠত বিক্ৰম লেণ্ডাৰৰ সুৰক্ষিত আৰু মসৃণ অৱতৰণ কৰাবলৈ সমৰ্থ হৈছিল। তাৰ লগে লগেই ভাৰত চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰা বিশ্বৰ চতুৰ্থখন দেশ আৰু চন্দ্ৰৰ দক্ষিণ মেৰু অঞ্চলত অৱতৰণ কৰিবলৈ সমৰ্থ হোৱা প্ৰথমখন দেশ হিচাপে পৰিগণিত হৈছিল। অন্বেষণৰ ক্ষেত্ৰত দেশে অৰ্জন কৰা উল্লেখনীয় সফলতা আৰু মহাকাশ প্ৰযুক্তিৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিৰ স্বীকৃতিস্বৰূপে ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ আয়োজন কৰা হৈছে।

০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ উত্তৰ-পূব মণ্ডলৰ সঞ্চালকপ্ৰধান কে সতীশ নাম্বুদিৰিপাদে আজি বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম পৰিদৰ্শন কৰে। মৈদামক্ষেত্ৰত উপস্থিত হৈ তেওঁ কেন্দ্ৰীয় পুৰাতত্ব বিভাগৰ অধীনত থকা মৈদামসমূহৰ লগতে ৰাজ্যিক প্ৰত্নতত্ব সঞ্চালকালয়ৰ অধীনত থকা মৈদামসমূহ পৰিদৰ্শন কৰি স্থানীয় লোকৰ সৈতে মত বিনিময় কৰে। ইয়াৰ লগতে তেওঁ চৰাইদেউ প্ৰত্নতাত্বিক সংগ্ৰহালয় পৰিদৰ্শন কৰে।

০০০০০

অধ্যাপক ড০ ননীগোপাল মহন্তই আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। বিদায়ী উপাচাৰ্য প্ৰতাপজ্যোতি সন্দিকৈৰ কাৰ্যকালৰ কালি সামৰণি পৰাৰ পাছত আজি ড০ মহন্তই কাৰ্যভাৰ গ্ৰহণ কৰে। আজি বিশ্ববিদ্যালয়খনত উপস্থিত হোৱাৰ পাছত তেওঁক শিক্ষক-কৰ্মচাৰীসকলে আদৰণি জনায়।

ইয়াৰ পাছত সাংবাদিকৰ আগত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰি উপাচাৰ্যগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ক দেশৰ শীৰ্ষৰ ১০খন ৰাজ্যিক বিশ্ববিদ্যালয়ৰ ভিতৰত এন-আৰ-এফ ৰেংকিঙত পাঁচ নম্বৰ স্থানলৈ অনাৰ বাবে তেওঁ কাম কৰি যাব। তদুপৰি বিশ্ববিদ্যালয়খনৰ পৰীক্ষাৰ বেমেজালি দূৰ কৰা, বিদ্যায়তনিক ক্ষেত্ৰৰ গুণগত মান উন্নীত কৰাৰ বাবেও তেওঁ প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি প্ৰতিশ্ৰুতি দিয়ে।

০০০০০

জ্যেষ্ঠ নাগৰিকসকলৰ সুৰক্ষা আৰু স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে আজিৰ দিনটো বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস হিচাপে উদযাপন কৰা হৈছে। জ্যেষ্ঠ নাগৰিকৰ সৈতে হোৱা আতিশয্যৰ ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস উদযাপন কৰা হয়। তদুপৰি সমাজৰ প্ৰতি জ্যেষ্ঠসকলৰ অৱদানক এই দিৱস পালনেৰে স্বীকৃতি দিয়াৰ প্ৰয়াস কৰা হয়। ভাৰতত এই দিৱস পালনে বিশেষ গুৰুত্ব বহন কৰিছে। ২০২০ চনত জনসংখ্যা সম্পৰ্কীয় এটা জৰীপৰ তথ্য অনুসৰি ২০৩১ চনলৈ দেশৰ জ্যেষ্ঠ নাগৰিকৰ সংখ্যা ১৯৩ নিযুতৰো অধিক হ'বগৈ। ২০১১ চনৰ লোকপিয়ল অনুসৰি এই সংখ্যা আছিল ১০৩ নিযুত। মুঠ জনসংখ্যাৰ ভালেসংখ্যক লোক জ্যেষ্ঠ নাগৰিক হোৱা হেতুকে ভাৰতত এই লোকসকলৰ কল্যাণৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে জ্যেষ্ঠ নাগৰিকসকলৰ সুবিধাৰ্থে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ উদ্যোগত অটল ৱায়ো অভ্যুদয় যোজনা চমুকৈ অব্যয়ৰ অধীনত গৃহহীন জ্যেষ্ঠ নাগৰিকৰ বাবে আশ্ৰয়গৃহ আৰু স্মৃতিভংশ ৰোগত আক্ৰান্ত জ্যেষ্ঠ নাগৰিকৰ বাবে যতন গৃহৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সহযোগত এই লোকসকলৰ শাৰিৰীক, মানসিক, আবেগিক আৰু বিত্তীয় সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে পৰহিলৈ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

যোৰহাট জিলাৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অৰ্থ সাহায্য প্ৰকৃতি সম্পৰ্কীয় প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰিছে। এই প্ৰশিক্ষণ শিবিৰত জিলাখনৰ ৩ খন কেন্দ্ৰীয় বিদ্যালয়, তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ লগতে বায়ুসেনা কেন্দ্ৰৰ ২০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় বিদ্যালয়ৰ অধ্যক্ষ কেইগৰাকীয়ে শিবিৰত অংশগ্ৰহণ কৰি প্ৰকৃতি সংৰক্ষণ তথা মানুহৰ জীৱন শৈলী সলনি কৰি পৃথিৱীখনক সুন্দৰভাৱে গঢ়ি তুলিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। প্ৰতিষ্ঠানৰ সঞ্চালক ড০

নীতিন কুলকাৰ্নীয়ে দেশৰ বন সংৰক্ষণ আৰু সংবৰ্ধনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই শিবিৰৰ অংশ হিচাপে শিক্ষাৰ্থীসকলক প্ৰতিষ্ঠানটোৰ বিভিন্ন বিষয়ৰ উপৰি কঁহৰাৰ ৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ্য উদ্যান, বন্য জীৱ-জন্তু উদ্ধাৰ কেন্দ্ৰ, এৰী-মুগা গৱেষণা প্ৰতিষ্ঠান আদি ভ্ৰমণ কৰোৱা হ'ব।

ooooo

অসমত ব্যক্তিগত চিকিৎসা মহাবিদ্যালয়, নাৰ্চিং মহাবিদ্যালয়, দন্ত চিকিৎসা মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদি স্থাপনৰ পূৰ্বে এতিয়াৰে পৰা আগতীয়া সুৰক্ষাজনিত অনুমোদনৰ প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কেন্দ্ৰীয় চৰকাৰে ইয়াৰ পূৰ্বেও এনে ধৰণৰ ব্যক্তিগত চিকিৎসা প্ৰতিষ্ঠানক অনুজ্ঞা প্ৰদানৰ আগেয়ে চোৰাংচোৱা সংস্থাৰ প্ৰতিবেদন বিচাৰে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। অসমতো দুই-তিনি মাহৰ ভিতৰতে এই ধৰণৰ আইন প্ৰণয়ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। বৰপেটা আৰু বৰাক উপত্যকাত কেৰালাৰ কেইবাখনো বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বিষয়ে পৰিকল্পনা কৰা হৈছে যদিও এই ক্ষেত্ৰত সুৰক্ষাজনিত দিশটো চালি-জাৰি চাবলৈ ৰাজ্যিক পৰ্যায়ত আইনগত ব্যৱস্থা নাছিল বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এই বিশ্ববিদ্যালয়কেইখন প্ৰতিষ্ঠা কৰাটো সুৰক্ষাজনিত কাৰণত সুবিধাজনক নহয় অসম আৰক্ষীৰ বিশেষ শাখাই প্ৰকাশ কৰিছিল যদিও এনে বিশ্ববিদ্যালয়ক অনুজ্ঞা প্ৰদানৰ পূৰ্বে অসম আৰক্ষীৰ বিশেষ শাখাৰ প্ৰতিবেদন গ্ৰহণ কৰাটো বাধ্যতামূলক নোহোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে সিদ্ধান্ত ল'ব পৰা নাই। এইবোৰ দিশলৈ লক্ষ্য ৰাখি এই ক্ষেত্ৰত আইন প্ৰণয়নৰ দিহা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পোলেণ্ড আৰু ইউক্ৰেইনৰ সৈতে সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে দ্বিদেশীয় ভ্ৰমণসূচীৰে ইতিমধ্যে ৱাৰশ্ব'ত উপস্থিত হৈছে। ৱাৰশ্ব'ত সামৰিক বিমান বন্দৰত উপস্থিত হোৱাৰ পাছত তেওঁক বিপুলভাৱে আদৰণি জনোৱা হয়। শ্ৰীমোদীয়ে আজি জামচাহেব নৱানগৰ স্মাৰক আৰু মোণ্টে কেচিনো আৰু কোলহাপুৰ স্মাৰকত শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিব। পাছত শ্ৰীমোদীয়ে ৱাৰশ্ব'ত এটা সমূহীয়া অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু ভাৰতীয় সম্প্ৰদায়ৰ লোকৰ সৈতে মত বিনিময় কৰিব।

ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে পোলেণ্ড মধ্য ইউৰোপত ভাৰতৰ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সহযোগী। তেওঁ কয় যে, ভাৰত আৰু পোলেণ্ডৰ গণতন্ত্ৰ আৰু বহুত্ববাদৰ প্ৰতি পাৰস্পৰিক প্ৰতিশ্ৰুতিবদ্ধতাই দেশ দুখনৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰে। শ্ৰীমোদীয়ে কয় যে, ভাৰত আৰু পোলেণ্ডে দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭০ বছৰ উদযাপন কৰিবলৈ লোৱাৰ সময়তে তেওঁ দেশখনলৈ যাবলৈ ওলাইছে। এই দুদিনীয়া ভ্ৰমণকালত শ্ৰীমোদীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী ডোনাল্ড টাস্ক আৰু ৰাষ্ট্ৰপতি এন্দ্ৰেজ দুডাৰ সৈতে বৈঠকত মিলিত হ'ব। এয়া বিগত ৪৫ বছৰত কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম পোলেণ্ড ভ্ৰমণ।

ooooo

মহিলা আৰু শিশু কল্যাণ বিভাগৰ উদ্যোগত ১০০-দিনীয়া বিশেষ সজাগতা অভিযানৰ অংশ হিচাপে পঞ্জীয়ন সপ্তাহৰ সৈতে সংগতি ৰাখি মাজুলী জিলা মহিলা আৰু শিশু কল্যাণ বিভাগ তথা জিলা প্ৰশাসনৰ উদ্যোগত আজিৰে পৰা কমলাবাৰী মিলন সংঘত সংযোগ মেলা অনুষ্ঠিত হৈছে। এই মেলা জিলাখনৰ আয়ুক্ত কাবেৰী বি শৰ্মাই শুভাৰম্ভ কৰ। সবল নাৰী সুৰক্ষিত ৰাষ্ট্ৰক বিষয় হিচাপে লৈ আয়োজিত এই কাৰ্যসূচীত আঠখন বিপণী মুকলি কৰা হৈছে। বিপণীসমূহৰ দ্বাৰা মহিলা আৰু শিশুসকলৰ কল্যাণৰ বাবে কি কি আঁচনি ৰূপায়ণ কৰা হৈছে আৰু ইয়াৰ দ্বাৰা জনসাধাৰণ কিদৰে উপকৃত হ'ব সেই বিষয়ে আলোকপাত কৰা হৈছে।

০০০০০

ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত থকা বোজা লাঘৱ কৰিবলৈ ডিব্ৰুগড় জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়াই জিলাখনৰ সকলো চৰকাৰী আৰু বেচৰকাৰী শিক্ষানুষ্ঠানলৈ কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। এখন জাননীৰ জৰিয়তে প্ৰাথমিক শিক্ষা বিষয়াগৰাকীয়ে শিক্ষাৰ্থীৰ বিদ্যালয়ৰ বেগৰ ওজন হ্ৰাস কৰিবলৈ নিৰ্দেশ দিছে। নিৰ্দেশনা অনুসৰি ছাত্ৰ-ছাত্ৰীসকলে কেৱল অত্যাৱশ্যকীয় সামগ্ৰীহে বিদ্যালয়লৈ নিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্য সুৰক্ষিত কৰাৰ লগতে শিক্ষণৰ অনুকূল পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিষয়াগৰাকীয়ে নিয়ম উলংঘা কৰা বিদ্যালয়ৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জাননীত উল্লেখ কৰিছে।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সুখচৰ আৰক্ষীয়ে বাংলাদেশী নাগৰিকক অসমত প্ৰৱেশ কৰাত সহায় কৰাৰ অভিযোগত এজন লোকক গ্ৰেপ্তাৰ কৰিছে। উল্লেখযোগ্য যে দুদিন পূৰ্বে ধুবুৰীৰ যোগমায়া ঘাটত আৰক্ষীয়ে এগৰাকী বাংলাদেশী মহিলাক গ্ৰেপ্তাৰ কৰিছিল। ধৃত মহিলাগৰাকীয়ে ধনৰ বিনিময়ত দালালৰ সহায়ত ১৭ জনীয়া বাংলাদেশী দল এটাই অসমত প্ৰৱেশ কৰা বুলি ভাষ্য প্ৰদান কৰিছিল। ইয়াৰ পিছতেই দক্ষিণ শালমাৰা মানকাচৰ জিলা আৰক্ষীয়ে অসমত প্ৰৱেশ কৰা বাংলাদেশীৰ দলটোক বিচাৰি অভিযান আৰম্ভ কৰে। অভিযানত আৰক্ষীয়ে হাজিৰহাট অঞ্চলৰ আলী হুছেইন নামৰ লোকজনক গ্ৰেপ্তাৰ কৰে। ধৃত লোকজনক আজি ন্যায়াধীশৰ আদালতত হাজিৰ কৰাৰ পিছত ধুবুৰী কাৰাগাৰলৈ প্ৰেৰণ কৰা হয়। সোধা-পোছাৰ অন্তত আৰক্ষীয়ে ধৃতলোকজনৰ বিৰুদ্ধে চোৰাং পশুধন আৰু মানৱ সৰবৰাহৰ অভিযোগ তুলি নিজাববীয়াকৈ গোচৰ ৰুজু কৰিছে।

০০০০০

উত্তৰ-পূৱ সীমান্ত ৰেলৱেৰ সুৰক্ষা বাহিনীয়ে চলিত বছৰৰ ১ জানুৱাৰীৰ পৰা যোৱা ১৫ আগষ্ট পৰ্যন্ত ৰেলৱেৰ অধীনৰ বিভিন্ন তালাচী চলাই ২২৫জন অবৈধ প্ৰব্ৰজনকাৰী আৰু ১৬জন ভাৰতীয় এজেণ্টক আটক কৰে। ৰেলৱে আৰক্ষীয়ে ষ্টেচনৰ লগতে ৰে'লত যাতায়ত কৰা অবৈধ প্ৰব্ৰজনকাৰী, ৰোহিংগিয়া আৰু অন্য সন্দেহযুক্ত লোকৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছে। এনে লোক চিনাক্ত হোৱা মাত্ৰেই আৰক্ষীয়ে ততালিকে কৰায়ত্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

জিলা দুৰ্যোগ ব্যৱস্থাপনাৰ উদ্যোগত হাটশিঙিমাৰীত নাও দুৰ্ঘটনাৰ সময়ত কৰণীয় সন্দৰ্ভত দুদিনীয়া প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হৈছে। কৰ্মশালাৰ প্ৰথম দিনা মলাখোৱা গাঁও পঞ্চায়তত ৩০ খনকৈ নাৱৰ গৰাকী আৰু চালকৰ লগতে ৩ গৰাকী গাঁও প্ৰধানক এছ্‌ ডি আৰ এফ বাহিনীয়ে প্ৰশিক্ষণ প্ৰদান কৰে। কৰ্মশালাত নাও দুৰ্ঘটনাৰ সময়ত যাত্ৰীসকলক সুকলমে উদ্ধাৰৰ বাবে ল'বলগীয়া পদক্ষেপ সন্দৰ্ভত প্ৰশিক্ষণ দিয়া হয়। কৰ্মশালাৰ অন্তত কাইলৈ অংশগ্ৰহণকাৰীসকলক মানপত্ৰ প্ৰদান কৰা হ'ব বুলি দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০০

সাম্ভাব্য বান পৰিস্থিতিক লৈ মৰিগাঁও জিলাৰ বাসিন্দাসকললৈ জিলা প্ৰশাসনে সতৰ্কতামূলক জাননী জাৰি কৰিছে। মেঘালয় পাৱাৰ জেনেৰেচন কৰ্পৰেচন লিমিটেডে উৰিয়াম নদীৰ তলৰ অঞ্চল আৰু উমিয়াম বান্ধৰ সিপাৰৰ অঞ্চলত প্ৰবল বৰষুণ আৰু পানী নিৰ্গমন বৃদ্ধিৰ বাবে সাম্ভাব্য বান পৰিস্থিতিক লৈ সতৰ্কবাণী

জাৰি কৰিছে। এই বান্ধৰ পানীয়ে জিলাখনৰ কিলিং নদীৰ কাষৰীয়া নেলী, গোভা আদি অঞ্চল ক্ষতি কৰাৰ আশংকা কৰা হৈছে। সেয়েহে জাননীযোগে জিলা প্ৰশাসনে মৰিগাঁওবাসী ৰাইজক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

ooooo

নৰ্থ ইষ্ট ইউনাইটেড এফ চি এইবাৰৰ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰা প্ৰথমটো দল হিচাপে পৰিগণিত হৈছে। নৰ্থ ইষ্ট এফ চিয়ে আজি কোকৰাঝাৰৰ সাই ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় সেনাৰ ফুটবল দলক ২-০ গলত পৰাস্ত কৰে। খেলখনৰ প্ৰথমাৰ্ধত কোনো এটা দলে গল দিব পৰা নাছিল যদিও বল অধিক সময় নৰ্থ ইষ্ট দলৰ খেলুৱৈৰ অধীনত আছিল। নৰ্থ ইষ্ট দলে খেলৰ দ্বিতীয়াৰ্ধত খেলৰ ৰণকৌশল সলনি কৰি অধিক আক্ৰমনাত্মক খেল প্ৰদৰ্শন কৰে আৰু নেষ্টৰে ৫২ মিনিটত দলটোৰ হৈ প্ৰথমটো গল দিয়ে। গুলেৰ্মোৱে ৭৩ মিনিটত দ্বিতীয়টো গল দি অগ্ৰগতি ২-০ লৈ বৃদ্ধি কৰে। ইপিনে, শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত শ্বিলং লাজং এফ চি- ইষ্ট বেংগলৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

পেৰুৰ ৰাজধানী লীমাত হ'বলগীয়া ২০ বছৰ অনূৰ্ধবৰ বিশ্ব এথলেটিকছ্‌ প্ৰতিযোগিতাত ভাগ লোৱাৰ উদ্দেশ্যে ভাৰতীয় দলটো আজি পুৱা ৰাওনা হৈছে। উল্লেখযোগ্য যে এই বছৰৰ এপ্ৰিল মাহত ডুবাইত অনুষ্ঠিত ২০ বছৰ অনূৰ্ধবৰ এছীয় এথলেটিকছ্‌ চেম্পিয়নশ্বিপত ভাৰতীয় দলটোৱে সুন্দৰ প্ৰদৰ্শনেৰে ৭টা সোণৰ, ১১টা ৰূপৰ আৰু ১১টা ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল। বিশ্ব এথলেটিকছ্‌ প্ৰতিযোগিতাতো ভাৰতীয় দলটোৱে উন্নত প্ৰদৰ্শনৰ ধাৰা অব্যাহত ৰাখিব বুলি আশা কৰা হৈছে। প্ৰতিযোগিতাত ভাৰতীয় এথলিটসকলে অংশগ্ৰহণ কৰিবলগীয়া বিভিন্ন শিতানৰ বাবে পাঞ্জাবৰ পাটিয়ালাত অৱস্থিত ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিষ্ঠান আৰু ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ বেংগালুৰু চৌহদত প্ৰস্তুতি শিবিৰৰ আয়োজন কৰা হৈছিল। ব্যক্তিগত শিতানসমূহৰ লগতে বিশ্ব এথলেটিকছ্‌ প্ৰতিযোগিতাত ৰাষ্ট্ৰীয় দলটোৱে 4 x 400 মিটাৰ ৰীলে আৰু 4 x 400 মিটাৰ মিক্সড ৰীলে শিতানতো প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

সমাপ্ত